
# বাইবেলৰ উল্লেখনীয় ঘটনাবোৰৰ বিতং পৰ্য্যালোচনা


**প্ৰধান ঘটনা আৰু যুগৰ প্ৰতীকবোৰ মুখস্থ কৰি বাইবেল সম্বন্ধীয় বুৰঞ্জী প্ৰৱাহক অনুসৰণ কৰক।**




**১। সৃষ্টি,** আদিপুস্তক ১-২ অধ্যায়। ঈশ্বৰে স্বৰ্গ আৰু পৃথিৱী সৃষ্টি কৰিলে। সকলোবোৰ ভালেই আছিল। প্ৰথম মানুহ আদম আৰু হৱাই ঈশ্বৰৰ লগত সুন্দৰ সহভাগিতা উপভোগ কৰিছিল।




**২। আদি পাপ,** আদিপুস্তক ৩ অধ্যায়, সাপৰ ৰূপ চয়তানে আদম আৰু হৱাক প্ৰলোভিত কৰিছিল; তেওঁলোকে পাপ কৰিলে আৰু সৃষ্টিলৈ ঈশ্বৰৰ শাও লৈ আহিলে।




**৩। জলপ্লাৱন,** আদিপুস্তক ৬-৯ অধ্যায়। মানুহ ইমান বেয়া হ'ল যে ঈশ্বৰে মানুহ পানীত ডুবাই মাৰিলে, কিন্তু নোহ আৰু তেওঁৰ পৰিয়ালক এখন ডাঙৰ জাহাজত ৰক্ষা কৰিলে।




**৪। বাবিলৰ দুৰ্গ,** আদিপুস্তক ১১ অধ্যায়। মানুহৰ সংখ্যা বাঢ়ি বাঢ়ি গ'ল আৰু তেওঁলোকে অতি গৰ্ব্বৰে সৈতে স্বৰ্গ ডুকি পোৱাকৈ এটি সুউচ্চ দুৰ্গ নিৰ্মাণ কৰিবলৈ চেষ্টা চলালে; ঈশ্বৰে তেওঁলোকৰ ভাষাবোৰ খেলিমেলি লগাই দিলে আৰু অনেক জাতিৰ জন্ম হ'ল।




**৫। অব্ৰাহামৰ লগত ঈশ্বৰৰ চুক্তি,** আদি পুস্তক ১২ আৰু ১৫ অধ্যায়। এটি বংশৰ যোগেদি ঈশ্বৰে সকলো জাতিকে আশীৰ্ব্বাদ কৰাৰ প্ৰতিজ্ঞা, অব্ৰাহামে বিশ্বাস কৰিছিল।




**৬। মিচৰ দেশত দাস,** যাত্ৰাপুস্তক ১-১৮ অব্ৰাহামৰ বংশধৰ সকলে পিৰামিডৰ দেশলৈ গৈছিল; তেওঁলোক বাঢ়ি গৈছিল আৰু অতি কষ্টদায়ক দাসত্বৰ পৰিশ্ৰম কৰিবলগা হৈছিল।



**৭। নিস্তাৰ পৰ্ব্বৰ মেৰৰ তেজ,** যাত্ৰাপুস্তক ১২-১৫ অধ্যায়। ঈশ্বৰে পঠোৱা মহামাৰীয়ে মিচৰৰ ৰজাক বন্দী দাসবিলাকক মুকলি কৰি দিবলৈ বাধ্য কৰালে। ঘৰৰ চৌকাঠত তেজৰ দাগ দেখা নাপালে পৰিয়ালত জন্মা প্ৰথম সন্তানক এজন দূতে বধ কৰিছিল, ঈশ্বৰে চুফ সাগৰ ফালি দুভাগ কৰিছিল; বন্দী দাসবিলাকে মিচৰৰ সৈন্যৰ কবলৰ পৰা পলাই সাৰিছিল।



**৮। ইস্ৰায়েলৰ বিধি,** যাত্ৰাপুস্তক ১৮-২০ অধ্যায়। চিনয় পৰ্ব্বতত ঈশ্বৰে মোচিক বিধানৰ প্ৰথম বাক্যবোৰ, দহ আজ্ঞা শিলৰ ফলিত দিছিল। ইস্ৰায়েলে সেইবোৰ অমান্য কৰিছিল; ঈশ্বৰে তেওঁলোকক দুকুৰি বছৰ অনাই বনাই ফুৰি থাকিবলৈ দিছিল।




**৯। ইস্ৰায়েলৰ দেশ জয় কৰা,** যিহোচুৱা পুস্তক, অব্ৰাহামৰ বংশধৰ, ইস্ৰায়েলক ঈশ্বৰে যি দেশ দিব বুলি প্ৰতিজ্ঞা কৰিছিল, সেই কনান দেশ জয় কৰিবলৈ যিহোচুৱাই ইস্ৰায়েলৰ সৈন্যক নেতৃত্ব দিছিল।



**১০। বিচাৰকৰ্ত্তাবিলাকৰ দ্বাৰাই শাসন,** বিচাৰকৰ্ত্তাবিলাক। ইস্ৰায়েলসকলে যেতিয়া বিধান অমান্য কৰিছিল, তেতিয়া তেওঁলোকক অত্যাচাৰ কৰিবলৈ ঈশ্বৰে দেৱ-পূজক সকলক দিছিল। তেওঁলোকে যেতিয়া অনুতাপ কৰিলে আৰু ঈশ্বৰৰ বাধ্য হৈছিল, তেওঁবিলাকক মুকলি কৰি দিবলৈ বিচাৰকৰ্ত্তাবিলাকক (তেওঁৰ বিধান পালন কৰা যুজাৰু) পঠিয়াই দিছিল।




**১১। ৰজাবিলাকৰ দ্বাৰা শাসন,** ১ আৰু ২ চমুৱেল। প্ৰথম ৰজাবিলাক আছিল চৌল, দায়ুদ আৰু চলোমন, তেওঁবিলাকে ইস্ৰায়েলৰ শত্ৰুবিলাকক পৰাজয় কৰি উন্নতি কঢ়িয়াই আনিছিল। ঈশ্বৰে দায়ুদক এইবুলি প্ৰতিজ্ঞা কৰিছিল যে এজন উত্তৰাধিকাৰীয়ে চিৰকাল শাসন চলাব।



**১২। চলোমন ৰজাৰ মন্দিৰ,** ১ৰাজাৱলী। তেওঁৰ উপস্থিতিৰে ঈশ্বৰে নতুন মন্দিৰটিক আশীৰ্ব্বাদ কৰিছিল; পুৰোহিতবিলাকৰ পাপবোৰ ঢাকিবৰ অৰ্থে জন্তু বধ কৰি তেজ উৎসৰ্গা কৰিছিল।




**১৩। বিভক্ত ৰাজ্য,** ১ৰাজাৱলি ১২অধ্যায়। ইস্ৰায়েলৰ ১২ফৈদে বিদ্ৰোহ কৰিছিল। ১০টা ফৈদে উত্তৰদিশে ইস্ৰায়েল ৰাজ্য স্থাপন কৰিছিল, ২টা দক্ষিণদিশে যিহুদা দেশ স্থাপন কৰিছিল। দুয়োটাই দুৰ্ব্বল হৈ পৰিছিল আৰু মূৰ্ত্তিপূজা কৰিছিল।




**১৪। দাসত্ব,** ২ৰাজাৱলি ২৫ অধ্যায়। মানুহবিলাকক সাৱধান কৰিবৰ বাবে ঈশ্বৰে ভাৱবাদীসকলক পঠিয়াইছিল। কিন্তু তেওঁবিলাকে বিদ্ৰোহ কৰিলে। গতিকে তেওঁলোকক বন্দী কৰি নিবলৈ বিদেশীবিলাকৰ হাতত দায়িত্ব দিছিল।



**১৫। পুনৰ নিৰ্মাণ,** ইজ্ৰা। ঈশ্বৰৰ লোকসকলে অনুতাপ কৰিলে আৰু তেওঁ তেওঁলোকক ঘুৰাই আনিছিল; এই যুগতেই মলাখীয়ে পুৰণি নিয়মৰ অন্তিম পুস্তকখন লিখিছিল।



**১৬। বিদেশী শক্তিৰ দ্বাৰা নিয়ন্ত্ৰণ,** কেবা শতিকালৈকে পাৰস্য, গ্ৰীচ, চিৰিয়া আৰু ৰোম সাম্ৰাজ্যই ইস্ৰায়েলক তেওঁলোকৰ শাসনৰ অধীন হ'বলৈ আৰু অতিমাত্ৰা কৰ দিবলৈ বাধ্য কৰাইছিল। এই যুগত কোনো বাইবেল পুস্তক ওলোৱা নাছিল।



**১৭। যীচুৰ জন্ম আৰু জীৱন,** লূক। যীচুৱে চয়তান, পাপ আৰু বেমাৰবোৰ বশীভূত কৰিছিল; তেওঁ তেওঁৰ অনুসৰণকাৰীসকলক মানুহ ধৰা জালোৱাই হ'বলৈ কৈছিল। তেওঁ এক আত্মিক ৰাজ্য আৰম্ভ কৰিছিল আৰু ৰোম দেশক ৰাজনৈতিকভাৱে শাসন কৰিবলৈ দিছিল।




**১৮। ক্ৰুচীয় মৃত্যু,** লূক ২৩ অধ্যায়। ঈশ্বৰ নিন্দা কৰাৰ অপৰাধত ধৰ্ম্মীয় নেতাসকলে যীচুক বন্দী কৰিছিল, কাৰণ তেওঁ নিজকে ঈশ্বৰৰ পুত্ৰ বুলি কৈছিল। ৰোমীয় সৈন্যবিলাকে তেওঁক বধ কৰিলে; তেওঁ আমাৰ পাপৰ কাৰণে মৃত্যুবৰণ কৰিলে আৰু কবৰত থোৱা হৈছিল।



**১৯। পুনৰুত্থান;** লূক ২৪ অধ্যায়। তৃতীয়দিনা যীচু মৃত্যুৰ পৰা উঠিল। তেওঁত বিশ্বাস কৰা আৰু অনুতাপ কৰা আটাইকে মৃত্যুৰ পৰা তুলিব বুলি তেওঁ প্ৰতিজ্ঞা কৰি নতুন নিয়ম যুগৰ সূচনা কৰিলে।




**২০। পবিত্ৰ আত্মাৰ আগমণ,** পাঁচনিৰ কৰ্ম্ম ২অধ্যায়। যীচুৱে ঈশ্বৰৰ ওচৰলৈ গ'ল আৰু পবিত্ৰ আত্মাক আমাৰ লগত বাস কৰিবৰ অৰ্থে পঠিয়াই দিলে। পঞ্চাশদিনীয়া পৰ্ব্বৰ দিনা যিসকল বিশ্বাসীয়ে আত্মা পাইছিল, তেওঁবিলাকে তেওঁবিলাকৰ ওপৰত সৰু জুই দেখিবলৈ পাইছিল।



**২১। বিশ্বাস বিলাই দিয়া,** পাঁচনিৰ কৰ্ম্ম। পবিত্ৰ আত্মাৰে পৰিপূৰ্ণ হৈ বিশ্বাসীসকলে শুভবাৰ্ত্তা বিলালে; যীচুৱে যেনেকৈ কৈছিল এটি শস্যগুটি বৃদ্ধি হ'ব বুলি ঠিক সেইদৰে বহু বৃদ্ধি হ'ল। এই সময়খিনিতেই যোহনে বাইবেলৰ শেষ পুস্তক প্ৰকাশিত বাক্য লিখিছিল। অনেক বিশ্বাসীয়ে শ্বহীদৰ দৰে মৃত্যু বৰণ কৰিছিল।


## বাইবেল পুস্তকবিলাক লিখাৰ পাচত ঘটা বুৰঞ্জীমূলক ঘটনাবোৰ।



**২২। মণ্ডলী আৰু ৰাজ্য মিলিত হয়,** (৩১১ খৃষ্টাব্দ) ৰোমীয়া সম্ৰাট কনষ্টেন্টাইনে খ্ৰীষ্টায়ন ধৰ্ম্মক আইনমতে অনুমোদন দিলে; দেৱ পূজকবিলাকে প্ৰকৃত বিশ্বাস নথকাকৈয়ে গীৰ্জ্জালৈ আহিল।



**২৩। খ্ৰীষ্টিয় ধৰ্ম্মবিশ্বাস,** মিছা শিক্ষাৰ সন্মুখীন হৈ, বিশ্বাসীবিলাকে যি বিশ্বাসক মানি লৈছিল, তাকেই লিখিছিল। পাঁচনিবিলাকৰ ধৰ্ম্মবিশ্বাসে মূল শুভবাৰ্ত্তাৰ ব্যাখা কৰিছে। ধৰ্ম্মবিশ্বাসে ত্ৰিত্তক (পিতৃ, পুত্ৰ আৰু পবিত্ৰ আত্মা) সমৰ্থন কৰিছে।



**২৪। ৰোম সাম্ৰাজ্যৰ পতন,** (৬ষ্ঠ আৰু ৭ম শতিকা) দুৰ্নীতি, অনৈক্যতা আৰু বেয়া শাসন প্ৰণালীয়ে সাম্ৰাজ্যখনক ভিতৰি ভিতৰি ভাঙি পেলাইছিল, ক্ষমতা হেৰুৱালে আৰু সমাপ্তি ঘটিলে।



**২৫। ৰোমৰ যাজকৰ উত্থান,** ৰোমৰ গীৰ্জ্জাই গীৰ্জ্জাৰ সকলো কৰ্ম্মচাৰীৰ ওপৰত ক্ষমতা দাবী কৰিলে আৰু ৰোমান কেথলিক গীৰ্জা স্থাপন কৰিলে। পূব দেশীয় গোড়া গীৰ্জাবিলাকে এই শাসন ব্যৱস্থাৰ বিৰুদ্ধাচৰণ কৰিলে।



**২৬। অন্ধকাৰ যুগ** (৬০০-১০০০ খৃষ্টাব্দ) শিক্ষাৰ অধোন্নতি ঘটিল; মানুহবিলাকে ঈশ্বৰৰ বাক্য নপঢ়া হ'ল আৰু তেওঁবিলাকৰ নেতাসকলে কাৰ্য্যৰ দ্বাৰাই পৰিত্ৰাণৰ বিষয়ে শিক্ষা দিছিল; আশ্ৰমবিলাকৰ বাহিৰে ইউৰোপত খ্ৰীষ্টিয়ান ধৰ্ম্মটো চেঁচা পৰি গ'ল কিন্তু এচিয়াত বিয়পি পৰিল।



**২৭। মুছলমান সকলৰ বিৰুদ্ধে ধৰ্ম্মযুদ্ধ,** ইউৰোপৰ সৈন্যবিলাকে পবিত্ৰ দেশ (ইস্ৰায়েল) আৰু আন দেশবিলাক মুচলমান আক্ৰমণকাৰী সকলৰ পৰা পুনৰায় অধিকাৰ কৰিবলৈ চেষ্টা চলাইছিল।



**২৮। ৰোমান কেথলিক বিৰোধী সংস্কাৰ** (১৫০০ চন) মাৰ্টিন লুথাৰ আৰু আন আনসকলে বাইবেলখন সাৰ্ব্বজনীন ভাষালৈ অনুবাদ কৰিছিল, বিশ্বাসৰ দ্বাৰাই পৰিত্ৰাণৰ বিষয়ে শিক্ষা দিছিল আৰু ৰোমান কেথলিক মুখ্য যাজকক (পোপ) বাধা প্ৰদান কৰিছিল।




**২৯। ধৰ্ম্মপ্ৰচাৰৰ পুৰ্নজাগৰণ,** (১৬০০-১৯০০) ধৰ্ম্মপ্ৰচাৰক সকলে মানুহবিলাকক নতুনকৈ জন্ম হ'বৰ বাবে তেওঁলোকৰ নিজ নিজ হৃদয়ত যীচুক পাবলৈ আৰু পবিত্ৰ আত্মাক যেন তেওঁলোকক সলনি কৰিবলৈ দিয়ে তাৰ বাবে বৰকৈ জোৰ কৰিছিল।



**৩০। বিশ্বাসৰ দ্ৰুত আন্তৰ্জাতিক বিস্তাৰ** (১৯০০ চনৰ পৰা বৰ্ত্তমানলৈকে) ধৰ্ম্ম প্ৰচাৰকসকলে খ্ৰীষ্টিয়ান বিশ্বাসক পৃথিৱীৰ প্ৰায় প্ৰত্যেক অংশলৈকে লৈ গৈছে।

**৩১। যীচুৰ পুনৰাগমনৰ ভবিষ্যৎবাণী,** লূক ২১ অধ্যায়, প্ৰকাশিত বাক্য স্বৰ্গৰ তুৰী বাজিব,



ৰাজদ্ৰোহীবিলাকক শাস্তি দিবৰ বাবে, চয়তানক নাশ কৰিবৰ বাবে আৰু মৃতকক জীয়াই তুলিবলৈ, কিছুমান অনন্ত জীৱনলৈ আৰু কিছুমানক বিচাৰলৈ পঠিয়াবৰ বাবে যীচুৱে পৃথিবীলৈ দুখ-কষ্ট পঠিয়াব।

**এই ঘটনাবোৰ বাবে বাৰে ক'বলৈ অভ্যাস কৰক।**

প্ৰতীকবোৰ আৰু ঘটনা প্ৰৱাহ, কেনেকৈ এটা ঘটনাই আন এটা ঘটনালৈ লৈ যায় সেই কথাৰ তালিকাখন যেতিয়ালৈকে মুখস্থ কৰি ক'ব নোৱাৰে তেতিয়ালৈকে বাৰে বাৰে মনত পেলাবলৈ অভ্যাস কৰি থাকক। আপুনি দেখিব যে গোটেই বাইবেলখন এটা গল্পৰ দৰে। আপুনি যিবিলাকক শিকায় তেওঁবিলাকক এই বুৰঞ্জীৰ সংক্ষিপ্ত বিৱৰণে শিকিবলৈ সহায় কৰক।

আপুনি যেতিয়াই এটা ঘটনা মনত ৰাখিব পাৰিব, তেতিয়াই তালিকাৰ পৰা সেই ঘটনা বুজোৱা নামটো কাটি দিব।

| | | | |
|---|---|---|---|
| ১। সূৰ্য্য, জোন | ৯। তৰোৱাল | ১৭। মাছ | ২৫। যাজকৰ টুপী |
| ২। সাপ | ১০। নুৰীয়া পুথি, তৰোৱাল | ১৮। ক্ৰুচ কাঠ | ২৬। নজ্বলা মমবাতি |
| ৩। ডাঙৰ নাওঁ | ১১। মুকুট | ১৯। শূন্য কবৰ | ২৭। অশ্ব যুঁজাৰু |
| ৪। ওখ দুৰ্গ | ১২। ডাঙৰ ইটাৰ টুকুৰা | ২০। জুইৰ শিখা | ২৮। খোলা বাইবেল |
| ৫। হাত মিলোৱা | ১৩। দুভাগ হোৱা মুকুট | ২১। শস্য গুটি সিচা | ২৯। যীচু, হৃদয় |
| ৬। পিৰামিড | ১৪। শিকলি | ২২। তৰোৱাল, বাইবেল | ৩০। গ্লোব |
| ৭। তেজ, দুৱাৰ | ১৫। ধ্বংস নগৰ | ২৩। নুৰীয়া আৰু কলম | ৩১। বিগুল। |
| ৮। শিলৰ ফলি | ১৬। চাবুক | ২৪। ভঙা তৰোৱাল | |

Copyright 2003 © by Paul-Timothy. May be freely copied. Download from www.Paul-Timothy.net